জ্যোতিষশাস্ত্ৰ বেদৰ চক্ষু



SAMPLE COPY
To purchase the book, visit
www.nabhastro.com/shop

মৌচুমী চিৰিং

জ্যোতিষশাস্ত্ৰ বেদৰ চক্ষু

SAMPLE COPY
To purchase the book, visit
www.nabhastro.com/shop

মৌচুমী চিৰিং

NABHA ASTRO ETERNAL GUIDANCE × mndesign

Jyotish Shastra Vedar Chakkhu — A collection of knowledge on the fundamentals of Jyotish Shastra, exploring planets, zodiac signs, houses, nakshatras, and their connection with different aspects of life. Written by Mousumee Chiring and published by Nilotpal Singha.

Price: ₹199

গ্ৰন্থৰ নাম:
জ্যোতিষশাস্ত্ৰ বেদৰ চক্ষু

লেখিকা:
মৌচুমী চিৰিং

প্ৰথম সংস্কৰণ: **ছেপ্টেম্বৰ, ২০২৬**

প্ৰকাশক:
নীলোৎপল সিংহ
ধুবুৰী-৭১

প্ৰচ্ছদ আৰু পৃষ্ঠা সজ্জা:
MN Design
গুৱাহাটী-৩৬

মুদ্ৰণ:
Navanita Printers
গুৱাহাটী-২১

মূল্য: **₹১৯৯**

Copyright © 2026, মৌচুমী চিৰিং
সৰ্বস্বত্ব সংৰক্ষিত।

ISBN 978-93-345-1201-4

এই গ্ৰন্থ বা গ্ৰন্থখনৰ কোনো অংশ লেখক বা প্ৰকাশকৰ লিখিত অনুমতি অবিহনে কোনো মাধ্যমত পুনৰুৎপাদন, সংৰক্ষণ বা বিতৰণ কৰাটো আইনমতে দণ্ডনীয়।

SAMPLE COPY
To purchase the book, visit
www.nabhastro.com/shop

উৎসৰ্গ

এই গ্ৰন্থ উৎসৰ্গিত—

জ্ঞানৰ সন্ধানত আগবাঢ়ি যোৱা প্ৰতিজন অনুসন্ধিৎসু মনলৈ,
নিজৰ জীৱন, কৰ্ম, স্বভাৱ আৰু ভাগ্যক গভীৰভাৱে বুজিবলৈ চেষ্টা কৰা প্ৰতিজন পাঠকলৈ,
আৰু যুগ যুগ ধৰি জ্যোতিষশাস্ত্ৰৰ জ্ঞান সংৰক্ষণ, অধ্যয়ন আৰু পৰৱৰ্তী প্ৰজন্মলৈ আগবঢ়াই অহা ঋষি, মুনি, সাধক আৰু জ্ঞানসন্ধানীসকললৈ।

জ্ঞানৰ পথত প্ৰতিটো প্ৰশ্নই এক নতুন যাত্ৰাৰ আৰম্ভণি।

SAMPLE COPY
To purchase the book, visit
www.na[illegible]hastro.com/shop

গ্ৰন্থখন পঢ়াৰ আগতে...

পাঠকৰ বাবে কেইটামান কথাঃ

১. প্ৰথমে মৌলিক বিষয়সমূহ বুজক।
ৰাশি, গ্ৰহ, ভাৱ, নক্ষত্ৰ আদি বিষয় ভালদৰে বুজি লোৱাৰ পিছত আগৰ অধ্যায়সমূহৰ সৈতে পৰৱৰ্তী বিষয়সমূহ সংযোগ কৰি পঢ়ক।

২. জ্যোতিষীয় পৰিভাষাক ভয় নকৰিব।
গ্ৰন্থখনত প্ৰয়োজন অনুসৰি কঠিন পৰিভাষাসমূহ সহজ ভাষাত ব্যাখ্যা কৰা হৈছে।

৩. প্ৰতিটো নিয়মক এককভাৱে প্ৰয়োগ নকৰিব।
জ্যোতিষীয় ব্যাখ্যা সাধাৰণতে একাধিক উপাদানৰ সামগ্ৰিক বিশ্লেষণৰ ওপৰত নিৰ্ভৰ কৰে।

৪. নিজৰ বিবেচনাক অগ্ৰাধিকাৰ দিয়ক।
জ্যোতিষক আত্ম-অন্বেষণ আৰু সচেতনতাৰ এক মাধ্যম হিচাপে ব্যৱহাৰ কৰক।

গুৰুত্বপূৰ্ণ ঘোষণাঃ

এই গ্ৰন্থত উল্লেখ কৰা জ্যোতিষীয় ব্যাখ্যা আৰু উপায়সমূহ পৰম্পৰাগত জ্যোতিষশাস্ত্ৰীয় বিশ্বাস আৰু অনুশীলনৰ আধাৰত উপস্থাপন কৰা হৈছে। ইয়াক নিশ্চিত বৈজ্ঞানিকভাৱে প্ৰমাণিত চিকিৎসা-পদ্ধতি হিচাপে গ্ৰহণ কৰা উচিত নহয়।

স্বাস্থ্য সম্পৰ্কীয় কোনো সমস্যা, ৰোগ বা চিকিৎসাৰ ক্ষেত্ৰত যোগ্য চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰাটো অত্যাৱশ্যক।

জ্যোতিষক জীৱনৰ সিদ্ধান্ত গ্ৰহণৰ এক সহায়ক হিচাপে ব্যৱহাৰ কৰিব পাৰি; কিন্তু নিজৰ বিবেচনা আৰু বাস্তৱ পৰিস্থিতিক সদায় অগ্ৰাধিকাৰ দিব লাগে।

SAMPLE COPY
To purchase the book, visit
www.nabhastro.com/shop

লেখিকাৰ মনৰ কথা

জ্যোতিষাম্ অয়নং চক্ষুঃ— অৰ্থাৎ সময়, কাল, ঋতু, তিথি, নক্ষত্ৰ, গ্ৰহৰ গতি আদিৰ দ্বাৰাহে বৈদিক কৰ্মসমূহ শুদ্ধভাৱে সম্পন্ন কৰিব পাৰি।

বৈদিক পৰম্পৰাত জ্যোতিষ দৰ্শনক বেদান্তৰ ভিতৰত অন্যতম স্থান দিয়া হৈছে। যেনেদৰে চকু নাথাকিলে মানুহে সঠিক পথ চাব নোৱাৰে, তেনেদৰে জ্যোতিষৰ জ্ঞান অবিহনে যজ্ঞ, পূজা, সংস্কাৰ, উপাসনা আদি বৈদিক কৰ্মৰ উপযুক্ত সময় নিৰ্ণয় কৰাটো সম্ভৱ নহয়। সেইবাবেই জ্যোতিষক ”বেদৰ চকু” বুলি অভিহিত কৰা হয়।

অয়ন শব্দৰ অৰ্থ হৈছে গতি, পথ বা সূৰ্য্যৰ উত্তৰায়ণ আৰু দক্ষিণায়ণৰ গমনপথ। জ্যোতিষ শাস্ত্ৰই এই অয়ন, ঋতুচক্ৰ, সংক্ৰান্তি, তিথি, নক্ষত্ৰ, যোগ, কৰণ আদি সূক্ষ্মভাৱে বিশ্লেষণ কৰি সময় নিৰ্ণয় কৰে।

জ্যোতিষৰ সম্পৰ্কে যিসকল ব্যক্তিয়ে জানিবলৈ আগ্ৰহী বা যিসকল ব্যক্তিয়ে জ্যোতিষশাস্ত্ৰক অমূলক বুলি ধাৰণা কৰে তেওঁলোকৰ সহায়ৰ বাবে এই কিতাপখন লিখা হৈছে।

মোৰ দৃঢ় বিশ্বাস যে আপুনি এই কিতাপখন ভালদৰে অধ্যয়ন কৰিলে জ্যোতিষ সম্পৰ্কে এক যোগাত্মক ধাৰণা লাভ কৰিবলৈ সক্ষম হ’ব।

জ্যোতিষশাস্ত্ৰৰ দৰে এক বিশাল বিষয়ৰ ওপৰত কিতাপ লিখাটো সঁচাকৈয়ে বৰ জটিল; কাৰণ জ্যোতিষৰ বিষয়বস্তুসমূহ অতি উচ্চ স্তৰৰ। তথাপিও বিগত আধা দশকজোৰা এক গভীৰ অধ্যয়নৰ পৰা মই যি শিকিব বা জানিব পাৰিছোঁ সেই বিষয়সমূহৰ সম্পৰ্কে সকলোৱে বুজিব পৰাকৈ অতি সহজ আৰু সৰল ভাষাত উপস্থাপন কৰিবলৈ চেষ্টাহে কৰিছোঁ। মই যুগুত কৰা তথ্যখিনিক এখন কিতাপৰ ৰূপ দিয়াত বিশেষভাৱে সহায় কৰা বন্ধু নীলোৎপল সিংহ, মা-দেউতা, ভাইটি আৰু মোৰ প্ৰতিজন গুৰুলৈ এই চেগতে অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

কিতাপখন যিমান পাৰোঁ শুদ্ধকৈ লিখিব চেষ্টা কৰিছোঁ যদিও অজানিতে কিবা ভুলভ্ৰান্তি দেখা পালে বিজ্ঞজনে শুধৰাই দিব বুলি আশা কৰিলোঁ।

১ জুলাই, ২০২৬
গুৱাহাটী

SAMPLE COPY
To purchase the book, visit
www.nabhastro.com/shop

সূচীপত্ৰ

১.	জ্যোতিষশাস্ত্ৰৰ ঐতিহ্য আৰু গুৰুত্ব	১
২.	জ্যোতিষশাস্ত্ৰ বেদৰ এক অংগ	৭
৩.	কৰ্ম, পুনৰ্জন্ম তত্ত্ব আৰু জ্যোতিষশাস্ত্ৰ	২১
৪.	মূহুৰ্ত শাস্ত্ৰ	২৭
৫.	অসমৰ পটভূমিত জ্যোতিষশাস্ত্ৰ	৩৩
৬.	জ্যোতিষশাস্ত্ৰ আৰু আয়ুৰ্বেদ	৪১
৭.	জ্যোতিষশাস্ত্ৰ আৰু সংগীত	৪৭
৮.	যোগ আৰু জ্যোতিষশাস্ত্ৰৰ সম্পৰ্ক তথা প্ৰয়োগ	৫৫
৯.	গ্ৰহ আৰু প্ৰতিকাৰ	৬৩

SAMPLE COPY
To purchase the book, visit
www.nabhastro.com/shop

১

জ্যোতিষশাস্ত্ৰৰ ঐতিহ্য আৰু গুৰুত্ব

SAMPLE COPY
To purchase the book, visit
www.nabhastro.com/shop

“জ্যোতিষৰ উদ্দেশ্য কেৱল ভৱিষ্যতবাণী কৰা নহয়। ইয়াৰ প্ৰকৃত উদ্দেশ্য হৈছে ব্যক্তিক অধিক সচেতন, আধ্যাত্মিক আৰু নিজৰ স্বভাৱৰ সৈতে মিল ৰাখি জীৱন যাপন কৰিবলৈ অনুপ্ৰাণিত কৰা।

SAMPLE COPY
To purchase the book, visit
www.nabhastro.com/shop

জ্যোতিষ হৈছে পৃথিৱীৰ আটাইতকৈ প্ৰাচীন, আটাইতকৈ বেছি সমালোচিত, তথাপিও আটাইতকৈ বেছি বিশ্বাস কৰা বিষয়সমূহৰ ভিতৰত এটা। জ্যোতিষৰ ইতিহাস অতি পুৰণি। সুমেৰ সভ্যতাৰ হাজাৰ হাজাৰ বছৰ পুৰণি হাড়তো জ্যোতিষীয় চিহ্ন পোৱা গৈছিল। তদুপৰি ঋগবেদতো বহু প্ৰাচীন কালৰ পৰা গ্ৰহ-নক্ষত্ৰৰ অৱস্থানৰ উল্লেখ পোৱা যায়। জ্যোতিষ সম্বলিত জন্মকুণ্ডলী কেৱল গণনাৰ বিষয় নহয়, ই জন্মমূহুৰ্তত বিশ্বব্ৰহ্মাণ্ডৰ সুৰ, শক্তি আৰু সম্ভাৱনাসমূহ জনাৰ এক মাধ্যম। গ্ৰহ- নক্ষত্ৰসমূহৰ গতি আৰু কম্পনৰ ফলত ব্যক্তিৰ স্বাস্থ্য আৰু জীৱনৰ ওপৰত প্ৰভাৱ পৰে। কেতিয়াবা এটা ধূলিকণা সম বস্তুও আমাৰ জীৱনত গভীৰ প্ৰভাৱ পেলাব পাৰে। অৰ্থাৎ সমগ্ৰ অস্তিত্ব এক অবিচ্ছেদ্য শক্তিৰ দ্বাৰা একত্ৰিত হৈ আছে। যেতিয়া মানুহে এই একাত্মবোধ উপলব্ধি কৰে, তেতিয়া তেওঁ জ্যোতিষক অধিক গভীৰভাৱে বুজিব পাৰে আৰু জীৱনত আত্মজ্ঞানৰ উচ্চ অৱস্থাত উপনীত হয়। জ্যোতিষ হৈছে মহাজাগতিক স্তৰ (ব্ৰহ্মাণ্ড) আৰু ব্যক্তিগত বা ক্ষুদ্ৰ স্তৰ (পিণ্ডাণ্ড)ৰ ঘটনাৱলীৰ মাজৰ মৌলিক সংযোগৰ বিজ্ঞান। এই সংযোগক সমগ্ৰ সৃষ্টিৰ অদ্বৈত একত্বৰ দৃষ্টিকোণৰ পৰা বুজা হয়।

জ্যোতিষৰ উদ্দেশ্য কেৱল ভৱিষ্যতবাণী কৰা নহয়। ইয়াৰ প্ৰকৃত উদ্দেশ্য হৈছে ব্যক্তিক অধিক সচেতন, আধ্যাত্মিক আৰু নিজৰ স্বভাৱৰ সৈতে মিল ৰাখি জীৱন যাপন কৰিবলৈ অনুপ্ৰাণিত কৰা। বেদত উল্লেখিত

SAMPLE COPY
To purchase the book, visit
www.naphastro.com/shop

আয়ুৰ্বেদ, যোগ আৰু জ্যোতিষ—এই তিনিটা পৃথক বিদ্যা নহয়, বৰঞ্চ একে জ্ঞান দৰ্শনৰ তিনিটা ভিন্ন শাখা, যাৰ উদ্দেশ্য হৈছে সামগ্ৰিক সুস্থতা বজাই ৰখা আৰু জীৱনৰ উদ্দেশ্য বুজাত সহায় কৰা।

নিজৰ জন্মকুণ্ডলী বুজি পালে এজন ব্যক্তিয়ে স্বাস্থ্যৰ সমস্যা আৰম্ভ হোৱাৰ আগতেই খাদ্যাভাস, জীৱনশৈলী বা দৈনন্দিন আচৰণত প্ৰয়োজনীয় পৰিৱৰ্তন আনি প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

কিছুমান ৰোগ বা অসুস্থতা পূৰ্বজন্মৰ প্ৰভাৱ অথবা কৰ্মজনিত অসামঞ্জস্যৰ সৈতে জড়িত হ'ব পাৰে। যদিও কিছুমান অভিজ্ঞতা প্ৰাৰব্ধ কৰ্ম অনুসৰি ভোগ কৰিবলগীয়া হয়, তথাপি সঠিক জ্ঞান আৰু সচেতনতাৰ জড়িয়তে প্ৰত্যাহ্বানসমূহৰ প্ৰভাৱ যথেষ্ট পৰিমাণে হ্ৰাস কৰিব পাৰি।

যিদৰে চন্দ্ৰৰ প্ৰভাৱত সাগৰ পৃষ্ঠত জোৱাৰ-ভাটাৰ সৃষ্টি হয়, সেইদৰে চন্দ্ৰ আৰু অন্যান্য গ্ৰহসমূহেও মানৱ শৰীৰৰ মাজেৰে প্ৰবাহিত শক্তিৰ উত্থান-পতনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। এই প্ৰভাৱে মানুহৰ স্বাস্থ্য আৰু ৰোগ, দীৰ্ঘায়ুতা আৰু আৰোগ্য, শক্তি আৰু দুৰ্বলতাৰ প্ৰৱণতাকো প্ৰভাৱিত কৰে।

SAMPLE COPY
To purchase the book visit
www.rabibrastro.com/shop

প্ৰতিটো প্ৰাচীন সভ্যতাই জ্যোতিষ বিদ্যাৰ এক নিজস্ব বিজ্ঞান গঢ়ি তুলিছিল। এই বিদ্যাৰ শত সহস্ৰ বৰ্ষ ধৰি অস্তিত্ব আছে আৰু ই মানৱ ইতিহাসৰ বহু মহান সভ্যতাৰ গঠন, বিকাশ আৰু সিদ্ধান্ত গ্ৰহণত গভীৰ প্ৰভাৱ পেলাইছিল। ভাৰত, চীন, ৰোম, বেবিলন, গ্ৰীচ, ইজিপ্ত আৰু মায়া সাম্ৰাজ্যৰ দৰে বহু সভ্যতাই আকাশত অৱস্থিত গ্ৰহ-নক্ষত্ৰৰ গতিবিধিৰ ওপৰত ভিত্তি কৰি সিদ্ধান্ত গ্ৰহণ আৰু সময় নিৰ্ধাৰণৰ গুৰুত্বপূৰ্ণ উপায় হিচাপে ব্যৱহাৰ কৰিছিল।

জ্যোতিষ শাস্ত্ৰৰ বৈজ্ঞানিক সাহিত্য আৰু মূল তত্ত্বসমূহ খ্ৰীষ্টপূৰ্ব যুগৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ ভিতৰত লিখিত ৰূপত সংকলিত হৈছিল।

আজিৰ দিনত যিসকল প্ৰাচীন বৈদিক জ্যোতিষীৰ নাম জনা যায়, তেওঁলোকৰ ভিতৰত অন্যতম হৈছে আৰ্যভট্ট (৪৭৬–৫৫০ খ্ৰীষ্টাব্দ) আৰু পৰাশৰ। পৰাশৰৰ হোৰাশাস্ত্ৰ ব্যক্তিগতভাৱে ৰচিত প্ৰথম আৰু প্ৰধান বৈদিক জ্যোতিষ গ্ৰন্থসমূহৰ অন্যতম।

কিন্তু বৈদিক জ্যোতিষৰ ইতিহাসত বৰাহমিহিৰক পৰাশৰ ধাৰাৰ অন্যতম বিশিষ্ট পণ্ডিত বুলি গণ্য কৰা হয়। বৰাহমিহিৰে তেওঁৰ সময়ত